নং ঃ ৮১৪/২০২০

# কেন্দ্ৰীয় মন্ত্ৰী মনসুখ এল মণ্ডাভিয়াৰ সৈতে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ জলপথ উন্নীতকৰণৰ বিষয়ে ভাৰ্চুৱেল আলোচনাত মিলিত হ'ল মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল

**দিছপুৰ, ৩ ডিচেম্বৰ ঃ** ৰাজ্যখনৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ জলপৰিবহনৰ প্ৰাতিষ্ঠানিক সামৰ্থ্য তথা বৰ্তমানে থকা সা-সুবিধাসমূহৰ উন্নীতকৰণেৰে নদী দুখনৰ মাজেৰে ব্যৱসায়-বাণিজ্যৰ উত্তৰণৰ সম্ভাৱনীয়তাসমূহ বৃদ্ধি কৰাৰ পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মুখ্যমন্ত্ৰীৰ চৰকাৰী বাসগৃহত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জল পথ দপ্তৰৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী মনসুখ এল মণ্ডাভিয়াৰ সৈতে ভাৰ্চুৱেলী এক আলোচনাত মিলিত হয়।

আলোচনাৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী দুখনৰ জলপৰিবহন, ব্যৱসায়-বাণিজ্য ইত্যাদি উন্নীতকৰণৰ বাবে প্ৰায় ৩ হাজাৰ কোটি টকাৰ এক প্ৰকল্পৰ বিস্তৃত বিৱৰণ দাঙি ধৰে। আলোচনাৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে বৰাক আৰু ব্ৰহ্মপুত্ৰ নদী দুখনে বহন কৰা সম্ভাৱনীয়তাসমূহৰ সৰ্বোচ্চ ব্যৱহাৰেৰে বৰ্তমানে থকা পৰিবহন ব্যৱস্থাসমূহ শক্তিশালীকৰণৰ পদক্ষেপ লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ব্ৰিটিছৰ শাসনকালত এই নদী দুখনে ব্যৱসায়-বাণিজ্যৰ দিশত অগ্ৰণী ভূমিকা পালন কৰিছিল আৰু নদী দুখনৰ মাজেৰে প্ৰতিবেশী ৰাষ্ট্ৰসমূহৰ সৈতে ব্যৱসায়-বাণিজ্য গঢ়ি উঠিছিল। আলোচনাৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰখনে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষিপ্ৰ উন্নয়নৰ দিশত দায়বদ্ধতাৰে পদক্ষেপ গ্ৰহণ কৰিছে। এই কেইবাকোটি টকাৰ প্ৰকল্পই স্থলপথ, যাত্ৰীবাহী কাৰ্গো টাৰ্মিনেল, নতুন জেটি নিৰ্মাণৰ সৈতে সংযুক্ত মাল্টি মডেল লজিষ্টিক পাৰ্ক হাবৰ সকলোবোৰ ক্ষেত্ৰ সামৰি ল'ব।

আলোচনাৰ সময়ত মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা এই দিশত সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলি আশ্বাস প্ৰদান কৰি কয় যে শদিয়াৰ পৰা ধুবুৰীলৈ ব্ৰহ্মপুত্ৰৰ ৮৯১ কিলোমিটাৰ দৈৰ্ঘ্যৰ জলৰাশি আৰু বৰাক নদীৰ জলৰাশিক যদি উপযুক্তভাৱে কামত খটুওৱা হয় তেতিয়া হ'লে ৰাজ্যখনৰ অৰ্থনীতিয়ে এক বিশেষ গতি লাভ কৰিব। তদুপৰি চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ সৈতে প্ৰৱেশ পথৰ সূচনাৰে এক্ট ইষ্ট পলিচি সৰ্বাত্মক ৰূপত কাৰ্যকৰীকৰণৰ দিশতো উল্লেখযোগ্য ভূমিকা পালন কৰিব বুলি কয়।

আজিৰ এই ভাৰ্চুৱেলী হোৱা আলোচনাত উদ্যোগ আৰু বাণিজ্য, পৰিবহন ইত্যাদি বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মুখ্যমন্ত্ৰীৰ অতিৰিক্তি মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, পৰিবহন বিভাগৰ আয়ুক্ত সচিব ড° কে কে দ্বিবেদীৰ লগতে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / প্ৰঃকুঃবঃ**

**৩/১২/২০২০**